حرمين

رئاسة الشؤون الدينية
بالمسجد الحرام والمسجد النبوي

# হজ্জৰ সংক্ষিপ্ত পদ্ধতি

অসমীয়া | آسامي | المختصر في صفة الحج

اللَّجْنَةُ العِلْمِيَّةُ
بِرِئَاسَةِ الشُّؤُونِ الدِّينِيَّةِ بِالمَسْجِدِ الحَرَامِ وَالمَسْجِدِ النَّبَوِيِّ

# الْمُخْتَصَرُ فِي صِفَةِ الحَجِّ

# হজ্জৰ সংক্ষিপ্ত পদ্ধতি

اللَّجْنَةُ العِلْمِيَّةُ

بِرِئَاسَةِ الشُّؤُونِ الدِّينِيَّةِ بِالمَسْجِدِ الحَرَامِ وَالمَسْجِدِ النَّبَوِيِّ

# হজ্জৰ সংক্ষিপ্ত পদ্ধতি

সকলো ধৰণৰ প্ৰশংসা বিশ্বজগতৰ প্ৰতিপালক আল্লাহৰ বাবে, দৰূদ আৰু ছালাম বৰ্ষিত হওক আমাৰ প্ৰিয় নবী মুহাম্মদৰ ওপৰত, আৰু তেখেতৰ পৰিয়ালবৰ্গ, লগতে তেখেতৰ সকলো চাহাবাৰ ওপৰত।

তাৰ পিছতঃ

এইখন হৈছে হজ্জৰ বিৱৰণ সম্পৰ্কীয় এটি সংক্ষিপ্ত পুস্তিকা। আমি ইয়াত হাজীসকলৰ বাবে প্ৰয়োজনীয় অধিকাংশ বিষয় দাঙি ধৰাৰ চেষ্টা কৰিছোঁ।

মহান আল্লাহৰ ওচৰত দুআ কৰোঁ, তেওঁ যেন ইয়াক তেওঁৰ সন্তুষ্টিৰ বাবে গ্ৰহণ কৰে আৰু ইয়াৰ মাধ্যমত সকলো মুছলিমকে উপকৃত হোৱাৰ তাওফীক প্ৰদান কৰে।

## ভূমিকা

## প্ৰথমঃ ইবাদত কবূল হোৱাৰ চৰ্তসমূহ

আল্লাহৰ ওচৰত ইবাদত কবূল হ'বলৈ দুটা চৰ্ত অত্যন্ত জৰুৰী।

ইখলাচঃ অৰ্থাৎ নিৰ্ভেজালভাৱে একমাত্ৰ আল্লাহৰ সন্তুষ্টি অৰ্জনৰ উদ্দেশ্যে আৰু আখিৰাতৰ বাবে ইবাদত কৰিব লাগিব। যেনে- মহান আল্লাহে কৈছেঃ

﴿وَمَآ أُمِرُوٓاْ إِلَّا لِيَعۡبُدُواْ ٱللَّهَ مُخۡلِصِينَ لَهُ ٱلدِّينَ حُنَفَآءَ...﴾

"আৰু সিহঁতক কেৱল এই নিৰ্দেশ দিয়া হৈছিল যে, সিহঁতে যেন আল্লাহৰ ইবাদত কৰে তেওঁৰ বাবেই যেন দ্বীনক একনিষ্ঠ কৰে।"[1] (ছুৰা আল-বায়্যিনাহঃ ৫)

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«إِنَّمَا الْأَعْمَالُ بِالنِّيَّاتِ، وَإِنَّمَا لِكُلِّ امْرِئٍ مَا نَوَى».

"সকলো কাম (ৰ প্ৰাপ্য) হ'ব নিয়্যত অনুযায়ী, আৰু মানুহে তাৰ নিয়্যত অনুযায়ীয়ে প্ৰতিফল লাভ কৰিব।"[2]

দ্বিতীয় চৰ্তটো হৈছে, ইবাদত পালনৰ ক্ষেত্ৰত কথা আৰু কৰ্মত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ অনুসৰণ কৰিব লাগিব। তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَنْ أَحْدَثَ فِي أَمْرِنَا هَذَا مَا لَيْسَ فِيهِ فَهُوَ رَدٌّ».

যিয়ে আমাৰ দ্বীনৰ মাজত এনে কোনো নতুন বিষয় সংযুক্ত কৰিব যিটো ইয়াৰ অংশ নহয়, সেইটো প্ৰত্যাখ্যাত। (অৰ্থাৎ সেইটো গ্ৰহণযোগ্য নহয়)।[3] (বুখাৰীঃ ২৬৯৭, আৰু মুছলিমঃ ১৭১৮) মুছলিমৰ ১৭১৮ নং বৰ্ণনাত আছে যে,

«مَنْ عَمِلَ عَمَلًا لَيْسَ عَلَيْهِ أَمْرُنَا فَهُوَ رَدٌّ».

---

1 অৰ্থাৎ আল্লাহৰ অভিমুখী হৈ আৰু তেওঁৰ ইবাদতত নিবেদিত থাকি, লগতে সকলো বস্তুৰ পৰা বিমুখ হৈ একনিষ্ঠভাৱে ইবাদত কৰিব লাগিব। (তাফছীৰ ছাদী পৃষ্ঠা নং ৫৩৮)

2 (বুখাৰীঃ ১, আৰু মুছলিমঃ ১৯০৭)

3 (বুখাৰীঃ ২৬৯৭, আৰু মুছলিমঃ ১৭১৮)

"যিয়ে এনেকুৱা কোনো আমল কৰিছে, যিটো আমাৰ চৰীয়তত নাই, সেইটো প্ৰত্যাখ্যাত।"[1]

***

## প্ৰথমঃ মীকাতৰ বিধান

মীকাত কোৱা হয় সেইবোৰ স্থানক, যিবোৰ স্থানক নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হজ্জ বা ওমৰাহ পালনৰ ইচ্ছা পোষণকাৰী ব্যক্তিৰ বাবে এহৰাম পৰিধানৰ ঠাই হিচাপে নিৰ্ধাৰণ কৰিছে।

যিয়ে হজ্জ বা ওমৰাৰ নিয়্যত কৰি এই মীকাতসমূহৰ যিকোনো এটা মীকাত অতিক্ৰম কৰিব বিচাৰিব, তাৰ বাবে সেই স্থানত এহৰাম পৰিধান কৰাটো অনিবাৰ্য্য। এহৰাম পৰিধান নকৰাকৈ মীকাত অতিক্ৰম কৰা বৈধ নহয়।

যিয়ে এই মীকাতসমূহৰ তুলনাত মক্কাৰ নিকটৱৰ্তী ঠাইত থাকে, তেওঁৰ মীকাত হৈছে নিজৰ অৱস্থানস্থল। তেওঁ সেই স্থানৰ পৰাই হজ্জ আৰু ওমৰাৰ এহৰাম পৰিধান কৰি নিয়্যত কৰিব পাৰিব।

মক্কাৰ বাসিন্দাসকলে আৰু তাত অৱস্থান কৰা লোকসকলে হজ্জৰ বাবে মক্কাৰ পৰাই এহৰাম পৰিধান কৰিব। কিন্তু ওমৰাৰ বাবে তেওঁলোকে পৱিত্ৰ সীমাৰ বাহিৰলৈ যাব লাগিব, যেনে- তানঈম বা তেনেকুৱা স্থানলৈ গৈ এহৰাম পৰিধান কৰি আহিব লাগিব।

---

1 (মুছলিমঃ ১৭১৮)

যদি কোনোবাই বিমানযোগে আহে, তেন্তে তেওঁ মীকাত পোৱাৰ আগতেই এহৰাম পৰিধান কৰা উচিত। গতিকে তেওঁ মীকাতত উপনীত হোৱাৰ আগতেই এহৰাম পৰিধান কৰি প্ৰস্তুত হৈ থাকিব লাগে। মীকাতত উপনীত হৈ কেৱল নিয়্যত কৰিব, বিমানবন্দৰত বিমান অৱতৰণ কৰালৈকে বিলম্ব কৰাটো বৈধ নহয়। বিমান দ্ৰুতগতিত চলাৰ কাৰণে মীকাত পাৰ হোৱাৰ আশংকাত, সাৱধানতাবশতঃ মীকাতত উপনীত হোৱাৰ আগতেই তালবিয়া পাঠ কৰাৰ অনুমতি আছে।

## দ্বিতীয়ঃ হজ্জৰ প্ৰকাৰভেদ আৰু বিধি-বিধান

হজ্জ তিনি প্ৰকাৰঃ তামাত্তু, ইফৰাদ আৰু ক্বিৰান।

যদি কোনোবাই হাদী লগতলৈ নাহে তেন্তে তাৰ বাবে এইবোৰৰ মাজত সবাতোকৈ উত্তম হৈছে তামাত্তু হজ্জ। তামাত্তু হজ্জৰ নিয়ম হৈছে, হজ্জৰ মাহবোৰত হাজীয়ে প্ৰথমে ওমৰাৰ নিয়্যত কৰি এহৰাম বান্ধিব, ইয়াৰ পিছত ওমৰাৰ তাৱাফ আৰু ছায়ী কৰি ওমৰাহ সম্পন্ন কৰি হালাল হৈ যাব। ইয়াৰ পিছত সেই বছৰতে পুনৰ হজ্জৰ বাবে এহৰাম পৰিধান কৰিব।

হজ্জে ইফৰাদ হৈছেঃ কেৱল মাত্ৰ হজ্জৰ বাবে এহৰাম বান্ধি লোৱা। মক্কাত উপস্থিত হোৱাৰ পিছত তেওঁৰ বাবে ছুন্নত হৈছে প্ৰথমে তাৱাফে কুদূম কৰা, ইয়াৰ পিছত হজ্জৰ ছায়ী কৰা। কিন্তু তেওঁ চুলি চুটি কৰিব নোৱাৰিব বা মুণ্ডন কৰিব নোৱাৰিব। লগতে এহৰামৰ পৰা হালালো হ'ব নোৱাৰিব। বৰং এহৰাম অৱস্থাতেই থাকিব লাগিব। অৱশেষত ঈদৰ দিনা

জামাৰাহ আকাবাত শিল নিক্ষেপ কৰাৰ পিছত হালাল হ'ব। আনহাতে যদি হজ্জৰ ছায়ী হজ্জৰ তাৱাফৰ পিছলৈকে পলম কৰে, তথাপিও কোনো অসুবিধা নাই।

হজ্জে ক্বিৰান হৈছেঃ হজ্জ আৰু ওমৰাৰ একেলগে নিয়্যত কৰি এহৰাম পৰিধান কৰা। তেওঁ এই বুলি নিয়্যত কৰিবঃ (لبيك اللهم عمرة وحجاً) লাব্বাইকা আল্লাহুম্মা ওমৰাতান অহাজ্জান।

ক্বিৰান হজ্জ আদায়কাৰীৰ আমল ইফৰাদ হজ্জ আদায়কাৰীৰ দৰেই। কিন্তু ক্বিৰান হজ্জকাৰীয়ে হাদী বা কুৰবানী কৰাটো আৱশ্যক। আনহাতে ইফৰাদ হজ্জকাৰীৰ বাবে হাদী আৱশ্যক নহয়।

## তৃতীয়: এহৰামৰ পদ্ধতি আৰু বিধান

এহৰাম পৰিধান কৰিব বিচৰা ব্যক্তিয়ে নিম্নলিখিত বিষয়বোৰ পালন কৰিব লাগে:

গোছল কৰা। নাৰী পুৰুষ উভয়ৰে বাবে এই সময়ছোৱাত গোছল কৰাটো ছুন্নতে মুআক্কাদা (গুৰুত্বপূৰ্ণ ছুন্নত), আনকি মাহেকীয়া বা প্ৰসৱিত্ৰী অৱস্থাত থকা মহিলায়ো গোছল কৰিব লাগে।

উত্তম সুগন্ধি ব্যৱহাৰ কৰা, সেয়া সুগন্ধিমূলক তেল হওক বা ওদ আতৰ আদি, এইবোৰ মূৰ আৰু দাড়িত লগোৱা উচিত। এহৰাম পৰিধান কৰাৰ পাছতো যদি সেই সুগন্ধি থাকে তথাপিও কোনো অসুবিধা নাই। কিন্তু সুগন্ধি থকা কোনো আতৰেই ব্যৱহাৰ কৰা নাৰীৰ বাবে বৈধ নহয়, কাৰণ ইয়াৰ ফলত গায়েৰ-মাহৰাম পুৰুষে সুগন্ধি পাব পাৰে।

এহৰামৰ কাপোৰ পৰিধান কৰা। ইয়াৰ ভিতৰত আছে চিলাই বিহীন লুঙ্গী আৰু এখন চাদৰ। ছুন্নাহ হৈছে যে, এই কাপোৰ দুখন বগা আৰু পৰিষ্কৃত তথা নতুন হ'ব লাগে। নাৰীসকলে সৌন্দৰ্য প্ৰকাশ নকৰাকৈ যিকোনো কাপোৰ পৰিধান কৰিব পাৰে। কিন্তু এই সময়ছোৱাত নিকাব (মুখৰ আবৰণ) আৰু হাত মোজা (গ্লাভছ) পৰিধান কৰা উচিত নহয়। ইয়াৰ বাহিৰে বেলেগ উপায়ে নিজৰ মুখমণ্ডল আৰু হাত পৰ্দাত ৰাখিব।

নামাজৰ পিছত এহৰাম পৰিধান কৰিব লাগে, সেয়া ফৰজ নামাজ হওক বা নফল নামাজ। কিন্তু এইটো বাধ্যতামূলক নহয়।

যদি তেওঁ ওমৰাহ কৰিব বিচাৰে তেন্তে এই বুলি নিয়্যত কৰিবঃ (لبيك اللهم عمرة) লাব্বাইকা আল্লাহুম্মা ওমৰাতান। অথবা যদি হজ্জে ইফৰাদ কৰে তেন্তে এই বুলি নিয়্যত কৰিবঃ (لبيك اللهم حجاً) লাব্বাইকা আল্লাহুম্মা হাজ্জান। অথবা যদি হজ্জে ক্বিৰান কৰে তেন্তে এই বুলি নিয়্যত কৰিবঃ (لبيك اللهم عمرة وحجاً) লাব্বাইকা আল্লাহুম্মা ওমৰাতান অহাজ্জান।

যদি কোনো ব্যক্তিয়ে এহৰাম পৰিধান কৰাৰ সময়ত এই আশংকা কৰে যে, তেওঁ হজ্জ বা ওমৰাহ পালনত বাধাগ্ৰস্থ হোৱাৰ সম্ভাৱনা আছে, তেন্তে তেওঁ এহৰাম পৰিধান কৰাৰ সময়ত চৰ্ত সাপেক্ষে এহৰাম পৰিধান কৰিব আৰু এইদৰে ক'ব: "....., অ ইন হাবাছানী হাবিছ, ফামাহাল্লী হাইছু হাবাছতানী।" এই চৰ্ত অনুযায়ী এহৰাম পৰিধান কৰাৰ পিছত তেওঁ যদি কোনো বাধাৰ সন্মুখীন

হয় তেন্তে সেই ঠাইতে তেওঁ এহৰাম খুলিব পাৰিব, ইয়াৰ ফলত তেওঁৰ কোনো অসুবিধা নহয়।

ইয়াৰ পিছত বেছি বেছি তালবিয়া পাঠ কৰিব: "লাব্বাইকা আল্লা-হুম্মা লাব্বাইক; লাব্বাইকা লা শ্বাৰিকা লাকা লাব্বাইক; ইন্নাল হামদা অন-নিমাতা, লাকা অল-মুল্ক, লা শ্বাৰীকা লাক।"

পুৰুষসকলে উচ্চস্বৰে তালবিয়া পাঠ কৰিব, এইদৰে পৰপুৰুষ নাথাকিলে নাৰীসকলে সশব্দে তালবিয়া পাঠ কৰিব। এহৰাম পৰিধান কৰা ব্যক্তিয়ে বেছি বেছি তালবিয়া পাঠ কৰিব লাগে, বিশেষকৈ সময় আৰু অৱস্থা পৰিবৰ্তনৰ সময়ত, যেনে- ওখ ঠাই আৰোহণ কৰাৰ সময়ত, ওপৰৰ পৰা তললৈ নমাৰ সময়ত, দিনে- ৰাতি সকলো সময়তে।[1]

---

1 যেতিয়া বান্দাই (لبيك) "লাব্বাইক" বুলি কয়ঃ তেতিয়া ইয়াৰ অৰ্থ হয়, হে মোৰ প্ৰতিপালক! মই তোমাৰ আহ্বানত বাৰে বাৰে সঁহাৰি দিওঁ। অৰ্থাৎ বান্দা তাৰ প্ৰতিপালকৰ আনুগত্যত উপস্থিত হৈছে আৰু তেওঁৰ উপাসনাত অটল আছে। ( "إن الحمد والنعمة لك والملك") "সকলো ধৰণৰ প্ৰশংসা, সকলো প্ৰকাৰ নিয়ামত আৰু ৰাজত্ব কেৱল তোমাৰেই"। الحمد : হৈছে কোনো সত্ত্বাৰ প্ৰশংসা পূৰ্ণাংগৰূপে মুহাব্বত আৰু শ্ৰদ্ধা সহকাৰে প্ৰকাশ কৰা; যদি সেই প্ৰশংসা বাৰে বাৰে কৰা হয় তেন্তে সেইটোক আৰবী ভাষাত ছানা ( ثناء) বুলি কোৱা হয়। والنعمة হৈছে, সেই খাইৰ অ বৰকত যিটো আল্লাহে বান্দাসকলক প্ৰদান কৰে, পছন্দনীয় বস্তু লাভ কৰা আৰু অপছন্দনীয় বিষয় দূৰ হোৱাটো ইয়াৰ অন্তৰ্ভুক্ত। (الملك) "ৰাজত্ব" অৰ্থাৎ ৰাজত্ব একমাত্ৰ তোমাৰেই। কাৰণ একমাত্ৰ আল্লাহেই হৈছে প্ৰকৃত মালিক। (لا شريك لك) "তোমাৰ কোনো অংশীদাৰ নাই": অৰ্থাৎ আল্লাহৰ পূৰ্ণাংগ চিফাতৰ ভিতৰত কাৰো কোনো অংশীদাৰিত্ব নাই। সেয়া ৰাজত্বৰ ক্ষেত্ৰতে হওক বা সৃষ্টিৰ ক্ষেত্ৰত, নাইবা পৰিচালনা আৰু ইবাদতৰ ক্ষেত্ৰত, কোনো ক্ষেত্ৰতে তেওঁৰ কোনো অংশীদাৰ নাই।

মাজমূ‘ ফতোৱা অ ৰাছা-ইল শ্বাইখ আল-উছাইমীন (২২/৯৬)-ৰ পৰা সংগৃহীত।

ওমৰাত এহৰাম পৰিধান কৰাৰ পিছৰ পৰা তাৱাফ আৰম্ভ নকৰালৈকে তালবিয়া পাঠ কৰিব লাগে। আনহাতে হজ্জত এহৰাম পৰিধান কৰাৰ পিছৰ পৰা ঈদৰ দিনা জামাৰাহ আক্বাবাত শিলগুটি দলিওৱা আৰম্ভ নকৰালৈকে।

এহৰাম অৱস্থাত মুহৰিম ব্যক্তিয়ে সেই সকলোবোৰ কাম বৰ্জন কৰিব লাগে, যিবোৰ এহৰাম পৰিধান কৰা অৱস্থাত কৰা নিষিদ্ধ, যেতিয়ালৈকে তেওঁ হালাল নহ'ব।

## চতুৰ্থঃ ইহৰামৰ নিষিদ্ধ বিষয়সমূহ

এহৰামৰ নিষিদ্ধ বিষয়সমূহ হৈছেঃ

চুলি, মোচ আৰু শৰীৰৰ যিকোনো ঠাইৰ নোম খুৰোৱা বা উঘালি পেলোৱা তথা কটা নিষেধ।

হাত ভৰিৰ নখ চুটি কৰা বা একেবাৰে উঠাই পেলোৱা নিষেধ।

এনেকুৱা বস্তুৰে মূৰ ঢাকি ৰখা নিষেধ, যিটো মূৰৰ সৈতে লাগি থাকে, যেনে- টুপি, পাগুৰি, গুতৰা আদি। এইদৰে মূৰৰ ওপৰত চাদৰ ৰখা, বা ৰুমাল নাইবা কম্বল অথবা কাৰ্টুন আদি যিবোৰৰ দ্বাৰা সচৰাচৰ মানুহে মূৰ ঢাকি ৰাখে। এইটো কেৱল পুৰুষসকলৰ বাবে নিষিদ্ধ, নাৰীসকলৰ বাবে নহয়।

সচৰাচৰ পৰিধান কৰা কাপোৰ, যেনে- জুব্বা, পায়জামা, কামিচ, মোজা আৰু হাতমোজা আদি পিন্ধা নিষিদ্ধ। এই বিধানটো কেৱল পুৰুষসকলৰ বাবে। আনহাতে নাৰীসকলৰ বাবে কেৱল নিৰ্দিষ্ট কেইটামান বস্তু নিষিদ্ধ, যেনে-

নিকাব, মুখ ঢাকি ৰখা পৰ্দা বা লিছাম আদি পিন্ধা নিষেধ। কিন্তু পৰপুৰুষৰ সন্মুখত সামৰ্থ অনুযায়ী মুখ ঢকাৰ চেষ্টা কৰিব। এই ক্ষেত্ৰত যিটো বস্তুৱে মুখমণ্ডল ঢাকিব, সেইটো মুখমণ্ডলত স্পৰ্শ কৰিলেও কোনো অসুবিধা নাই। ইয়াৰ বাহিৰে নাৰীসকলে মূৰত পট্টী বান্ধি লোৱাটো উচিত নহয়, এই উদ্দেশ্যে যে, সেই পৰ্দা যাতে মুখমণ্ডলত স্পৰ্শ নকৰে। কোৰআন হাদীছত এইটো কৰাৰ কোনো প্ৰমাণ নাই।

হাতমোজা পিন্ধা নিষেধ, কিন্তু পৰপুৰুষৰ সন্মুখত হাত ঢাকি ৰখা অনিবাৰ্য্য। এইক্ষেত্ৰত হাত বোৰকাৰ আঁৰত সোমোৱাই ল'ব পাৰে।

শৰীৰত বা এহৰামৰ কাপোৰত সুগন্ধি ব্যৱহাৰ কৰা নিষেধ।

স্থলৰ কোনো জীৱ-জন্তু হত্যা কৰা বা চিকাৰ কৰা নিষেধ।

নিজৰ কাৰণে হওক বা বেলেগৰ কাৰণে বিবাহৰ প্ৰস্তাৱ দিয়া নিষেধ।

নিকাহৰ বৈঠক কৰাও নিষেধ।

স্ত্ৰীক চুমা খোৱা বা কামনাৰ সৈতে স্পৰ্শ কৰা নিষেধ।

যৌন মিলন কৰা নিষেধ।

***

## পঞ্চমঃ তাৱাফৰ পদ্ধতি

মুহৰিম ব্যক্তিয়ে যেতিয়া মছজিদে হাৰামত প্ৰৱেশ কৰিব, তেতিয়া তেওঁ সোঁ ভৰি প্ৰথমে প্ৰৱেশ কৰোৱাটো ছুন্নত। লগতে মছজিদত প্ৰৱেশৰ দুআ পাঠ কৰিব। এই

ক্ষেত্ৰত সঠিক সূত্ৰত বৰ্ণিত দুআটো হৈছে এইদৰে কোৱাঃ আল্লা-হুম্মাফতাহলী আবৱাবা ৰাহমাতিক। এই দুআটো যিকোনো মছজিদত প্ৰৱেশ কৰাৰ সময়তে পঢ়িব লাগে। এইটো কেৱল মছজিদে হাৰামৰ সৈতে নিৰ্দিষ্ট নহয়।

তাৱাফ আৰম্ভ কৰাৰ সময়ত এহৰামৰ চাদৰটো ইজতিবা কৰি ল'ব। ইজতিবা হৈছেঃ চাদৰখনৰ মাজভাগ সোঁ হাতৰ কাষলতিৰ তলেৰে পাৰ কৰি চাদৰৰ দুয়ো মূৰ বাওঁ কান্ধৰ ওপৰত ৰাখিব। তাৱাফ শেষ কৰাৰ পিছত চাদৰখন আকৌ পূৰ্বাৱস্থালৈ ঘূৰাই আনিব, যিদৰে তাৱাফৰ পূৰ্বে আছিল। কাৰণ কেৱল তাৱাফৰ সময়তহে ইজতিবা কৰিব লাগে।

ইয়াৰ পিছত হাজাৰে আছৱাদ চুমা খাবলৈ আগুৱাই যাব, যদি চুমা খোৱাৰ সুযোগ নাথাকে তেন্তে হাতেৰে স্পৰ্শ কৰিব আৰু হাতত চুমা খাব, যদি হাতেৰেও স্পৰ্শ কৰা সম্ভৱ নহয় তেন্তে বেলেগ কোনো বস্তুৰে স্পৰ্শ কৰিব, যেনে- লাখুটি আদিৰে আৰু স্পৰ্শ কৰাৰ পিছত সেইটোক চুমা খাব। যদি এইটোও সম্ভৱ নহয় তেন্তে হাজাৰে আছৱাদৰ ফালে মুখ কৰি থিয় হৈ হাতেৰে ইংগিত কৰিব, কিন্তু এই অৱস্থাত হাতত চুমা নাখাব। উত্তম এইটোৱে যে, ভিৰ কৰা উচিত নহয়। মানুহক কষ্ট দিয়াও উচিত নহয় আৰু নিজেও কষ্টত পৰা ঠিক নহয়।

হাজৰে আছৱাদ স্পৰ্শ কৰাৰ সময়ত বা ইংগিত কৰাৰ সময়ত (الله أكبر) আল্লাহু আকবাৰ বুলি ক'ব লাগে।

ইয়াৰ পিছত কাবা ঘৰক বাওঁফালে ৰাখি সোঁ দিশত তাৱাফ আৰম্ভ কৰিব, ৰুকনে য়ামানী পোৱাৰ পিছত, ৰুকনে য়ামানীক চুমা নোখোৱাকৈ স্পৰ্শ কৰিব, যদি স্পৰ্শ কৰা সম্ভৱ নহয় তেন্তে ভিৰ নকৰিব আৰু ইংগিত কৰাৰো প্ৰয়োজন নাই।

ৰুকনে য়ামানীৰ পৰা হাজৰে আছৱাদৰ মাজৰ ঠাইখিনিত এই দুআ পাঠ কৰিবঃ

﴿رَبَّنَا آتِنَا فِي الدُّنْيَا حَسَنَةً وَفِي الْآخِرَةِ حَسَنَةً وَقِنَا عَذَابَ النَّارِ﴾

"ৰাব্বানা আ-তিনা ফিদ্দুনিয়া হাছানাহ, অফিল আ-খিৰাতি হাছানাহ, অক্বিনা আজাবান না-ৰ।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাক পৃথিৱীত কল্যাণ প্ৰদান কৰা আৰু আখিৰাততো কল্যাণ দান কৰা, লগতে আমাক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰা।

যেতিয়াই হাজৰে আছৱাদৰ ওচৰলৈ আহিব তেতিয়াই হাতেৰে ইংগিত কৰিব আৰু ক'বঃ (الله أكبر) আল্লাহু আকবাৰ।

তাৱাফৰ সময়ছোৱাত নিজৰ পছন্দ মতে যিকোনো দুআ, জিকৰ-আজকাৰ আৰু কোৰআন পাঠ কৰিব পাৰে।

প্ৰথম তিনি তাৱাফত ৰমল কৰা ছুন্নত। ৰমল হৈছে অকণমান খৰকৈ দৌৰি যোৱাৰ নিচিনাকৈ খোজকাঢ়ি যোৱা। বাকী চাৰি তাৱাফত ৰমলৰ প্ৰয়োজন নাই, সেইকেইটাত স্বাভাৱিকভাৱে খোজকাঢ়ি তাৱাফ কৰিব।

তাৱাফ সম্পন্ন কৰি মাকামে ইব্ৰাহীমৰ পিনে আগুৱাই যাব আৰু এই আয়াত পাঠ কৰিবঃ

﴿...وَٱتَّخِذُواْ مِن مَّقَامِ إِبْرَٰهِـۧمَ مُصَلًّى...﴾

ইয়াৰ পিছত যদি সম্ভৱ হয় মাক্বামে ইব্ৰাহীমৰ পিছফালে দুই ৰাকাত নামাজ পঢ়িব। যদি ঠাই পোৱা নাযায় তেন্তে মছজিদৰ যিকোনো স্থানতে পঢ়িলেই হ'ল। প্ৰথম ৰাকাতত ছুৰা ফাতিহাৰ পিছত,

﴿قُلْ يَا أَيُّهَا الْكَافِرُونَ ۝١﴾

পাঠ কৰিব, আৰু দ্বিতীয় ৰাকাতত ছুৰা ফাতিহাৰ পিছত

﴿قُلْ هُوَ اللَّهُ أَحَدٌ ۝١﴾

পাঠ কৰিব।

﴿...وَٱتَّخِذُواْ مِن مَّقَامِ إِبْرَٰهِـۧمَ مُصَلًّى...﴾

"মাক্বামে ইব্ৰাহীমক মুচাল্লা হিচাপে গ্ৰহণ কৰিবা।" (ছুৰা আল-বাক্বাৰাহঃ ১২৫) ইয়াৰ পিছত যদি সম্ভৱ হয় মাক্বামে ইব্ৰাহীমৰ পিছফালে দুই ৰাকাত নামাজ পঢ়িব। যদি ঠাই পোৱা নাযায় তেন্তে মছজিদৰ যিকোনো স্থানতে পঢ়িলেই হ'ল। প্ৰথম ৰাকাতত ছুৰা ফাতিহাৰ পিছত পঢ়িব,

﴿قُلْ يَـٰٓأَيُّهَا ٱلْكَـٰفِرُونَ ۝١﴾

কোৱা, 'হে কাফিৰসকল ! (ছুৰা আল-কাফিৰূনঃ ১) আৰু দ্বিতীয় ৰাকাতত ছুৰা ফাতিহাৰ পিছত পঢ়িব,

﴿قُلْ هُوَ ٱللَّهُ أَحَدٌ ۝١﴾

কোৰা, ‘তেওঁ আল্লাহ, এক-অদ্বিতীয়, (ছুৰা আল-ইখলাচঃ ১)

## ষষ্ঠঃ ছায়ী কৰাৰ পদ্ধতি

তাৱাফ আৰু দুই ৰাকাত নামাজ আদায় কৰাৰ পিছত ছায়ী কৰাৰ স্থানলৈ যাব। চাফাৰ ওচৰলৈ গৈ এই আয়াত পাঠ কৰিবঃ

﴿إِنَّ ٱلصَّفَا وَٱلۡمَرۡوَةَ مِن شَعَآئِرِ ٱللَّهِ...﴾

ইয়াৰ পিছত ক'বঃ "أبدأ بما بدأ الله به"

﴿إِنَّ ٱلصَّفَا وَٱلۡمَرۡوَةَ مِن شَعَآئِرِ ٱللَّهِ...﴾

(নিশ্চয় চাফা আৰু মাৰৱা হৈছে আল্লাহৰ অন্যতম এটা নিদৰ্শন।....) ইয়াৰ পিছত ক'বঃ

«أَبْدَأُ بِمَا بَدَأَ اللَّهُ بِهِ».

(অৰ্থাৎ আল্লাহে যিটোৰ পৰা আৰম্ভ কৰিছে, ময়ো সেইটোৰ পৰা আৰম্ভ কৰিলোঁ।)[1]

ইয়াৰ পিছত চাফাৰ ওপৰলৈ উঠিব, যাতে কা'বা দেখা পোৱা যায়, অথবা কাবাৰ ফালে মুখ কৰি থিয় হ'বঃ লগতে আলহাম্‌দুলিল্লাহ আৰু আল্লাহু আকবাৰ কৈ এই দুআ তিনিবাৰ পাঠ কৰিবঃ

আৰু ইয়াৰ মাজত নিজৰ ইচ্ছা মতে দুআ কৰিব।

1 (মুছলিমঃ ১২১৮)

«لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ، لَهُ الْمُلْكُ وَلَهُ الْحَمْدُ، وَهُوَ عَلَى كُلِّ شَيْءٍ قَدِيرٌ، لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ، أَنْجَزَ وَعْدَهُ، وَنَصَرَ عَبْدَهُ، وَهَزَمَ الْأَحْزَابَ وَحْدَهُ»، ثُمَّ دَعَا بَيْنَ ذَلِكَ. قَالَ مِثْلَ هَذَا ثَلَاثَ مَرَّاتٍ.

লা ইলা-হা ইল্লাল্লা-হু অহদাহু লা শ্বাৰীকা লাহু, লাহুল মুল্‌কু অলাহুল হাম্‌দু, অহুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ। আনজাঝা অ'দাহ, অনাচাৰা আব্দাহ, অহাঝামাল আহঝা-বা অহদাহ। (আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই। ৰাজত্ব তেওঁৰেই আৰু প্ৰশংসাও কেৱল তেওঁৰেই। তেওঁ সকলো ক্ষেত্ৰতে ক্ষমতাৱান। যিয়ে নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিছে, আৰু তেওঁৰ বান্দাক সহায় কৰিছে, আৰু শত্ৰুদলক অকলেই পৰাস্ত কৰিছে।) এই দুআটো তিনিবাৰ পাঠ কৰি নিজৰ ইচ্ছা মতে দুআ কৰিব।[1]

ইয়াৰ পিছত মাৰৱাৰ পিনে যাবলৈ চাফাৰ পৰা খোজকাঢ়ি নামি আহিব। সেউজীয়া সংকেতত আহি দৌৰি পাৰ হ'ব। দ্বিতীয় সেউজীয়া সংকেতত আহি স্বাভাৱিকভাৱে খোজকাঢ়ি পাৰ হ'ব। নাৰীসকলে দৌৰি পাৰ হোৱা উচিত নহয়।

মাৰৱাত উপস্থিত হৈ সেইবোৰ কৰিব, যিবোৰ চাফাত উপস্থিত হৈ কৰিছিল। (চাওক ২নং পেৰেগ্ৰাফ)

1 (মুছলিমঃ ১২১৮)

ইয়াৰ পিছত চাফাৰ পিনে যাবলৈ মাৰৱাৰ পৰা খোজকাঢ়ি নামি আহিব। সেউজীয়া সংকেতত আহি দৌৰি পাৰ হ'ব। দ্বিতীয় সেউজীয়া সংকেতত আহি স্বাভাৱিকভাৱে খোজকাঢ়ি পাৰ হ'ব।

এইদৰে সাতবাৰ কৰিব। চাফাৰ পৰা মাৰৱালৈ যোৱাটো হৈছে এটা ছায়ী, আৰু মাৰৱাৰ পৰা চাফালৈ অহাটো হৈছে আন এটা ছায়ী।

ছায়ী কৰাৰ সময়ছোৱাত নিজৰ পছন্দ মতে যিকোনো দুআ, জিকৰ-আজকাৰ আৰু কোৰআন পাঠ কৰিব পাৰে।

সপ্তমঃ মূৰৰ চুলি চুটি কৰা বা মুণ্ডন কৰা

ওমৰাহকাৰীয়ে তাৱাফ আৰু ছায়ী শেষ কৰাৰ পিছত পুৰুষসকলে মূৰৰ চুলি খুৰাই পেলাব লাগে অথবা চুলি চুটি কৰি ল'ব লাগে। ছুন্নত হৈছে মূৰৰ চুলি খুৰাই পেলোৱা অথবা সম্পূৰ্ণ মূৰৰ চুলি চুটি কৰা।

চুলি চুটি কৰাতকৈ মুণ্ডন কৰা উত্তম। কিন্তু হজ্জৰ সময় নিকটৱৰ্তী হ'লে, চুলি গজাৰ সম্ভাৱনা নাথাকিলে চুলি চুটি কৰাই লোৱাটোৱে উত্তম।

আনহাতে নাৰীসকলে এক আঙুলি পৰিমাণ চুলি চুটি কৰি ল'ব লাগে।

পক্ষান্তৰে হজ্জৰ এহৰাম পৰিধান কৰি থকা ব্যক্তি, ইফৰাদ হজ্জকাৰী হওক বা ক্বিৰান হজ্জকাৰী, ঈদৰ দিনা জামাৰাহ আক্বাবাত শিলগুটি নিক্ষেপ কৰাৰ পিছতহে নিজৰ চুলি চুটি কৰিব পাৰিব।

এইখিনি কৰাৰ পিছতেই ওমৰাহকাৰীৰ ওমৰাহ সম্পন্ন হৈ যাব। লগতে তামাত্তু হজ্জ পালনকাৰীৰ ওমৰাহ সম্পূৰ্ণ হ'ব।

## হজ্জৰ পদ্ধতি

### প্ৰথমঃ হজ্জৰ এহৰাম পৰিধান কৰা।

হজ্জ কৰিবলৈ ইচ্ছুক ব্যক্তিৰ বাবে ছুন্নত হৈছে ইয়াওমুত তাৰৱিয়াহ বা জুলহিজ্জা মাহৰ আঠ তাৰিখে চাস্তৰ সময়ত এহৰাম পৰিধান কৰা। সেই ঠাইৰ পৰাই এহৰাম কৰিব যি ঠাইৰ পৰা তেওঁ হজ্জ কৰিব বিচাৰে, মক্কাতেই হওক বা নিৰ্ধাৰিত মীকাতৰ ভিতৰৰ যি ঠায়ে হওক। আনহাতে যদি তেওঁ মীকাতৰ বাহিৰত থাকে তেন্তে তেওঁ যি মীকাতেৰে আহিব সেই মীকাততে এহৰাম কৰিব।

হজ্জৰ এহৰামৰ সময়ত তেওঁ সেইবোৰে কৰিব লাগিব যিবোৰ ওমৰাৰ এহৰামৰ সময়ত কৰা হয়। যেনে- গোছল কৰা, সুগন্ধি ব্যৱহাৰ কৰা আৰু নামাজ পঢ়া। ইয়াৰ পিছত হজ্জৰ এহৰামৰ নিয়্যত কৰিব আৰু তালবিয়া পাঠ কৰিব। হজ্জৰ তালবিয়া ওমৰাৰ তালবিয়াৰ দৰেই, কেৱল (لبيك عمرة)ৰ সলনি (لبيك حجاً) বুলি ক'ব।

যদি কোনো ব্যক্তিয়ে এই আশংকা কৰে যে, তেওঁ হজ্জ বা ওমৰাহ পালনত বাধাগ্ৰস্থ হোৱাৰ সম্ভাৱনা আছে, তেন্তে তেওঁ এহৰাম পৰিধান কৰাৰ সময়ত চৰ্ত সাপেক্ষে এহৰাম পৰিধান কৰিব আৰু এইদৰে ক’ব:

"....., অ ইন হাবাছানী হাবিছ, ফামাহাল্লী হাইছু হাবাছতানী।" এই চৰ্ত অনুযায়ী এহৰাম পৰিধান কৰাৰ পিছত তেওঁ যদি কোনো বাধাৰ সন্মুখীন হয় তেন্তে সেই ঠাইতে তেওঁ এহৰাম খুলিব পাৰিব, ইয়াৰ ফলত তেওঁৰ কোনো অসুবিধা নহয়।

ইয়াৰ পিছত বেছি বেছি তালবিয়া পাঠ কৰিব: "লাব্বাইকা আল্লা-হুম্মা লাব্বাইক; লাব্বাইকা লা শ্বাৰিকা লাকা লাব্বাইক; ইন্নাল হামদা অন-নিমাতা, লাকা অল-মুল্ক, লা শ্বাৰীকা লাক।"

পুৰুষসকলে উচ্চস্বৰে তালবিয়া পাঠ কৰিব, এইদৰে পৰপুৰুষ নাথাকিলে নাৰীসকলে সশব্দে তালবিয়া পাঠ কৰিব। এহৰাম পৰিধান কৰা ব্যক্তিয়ে বেছি বেছি তালবিয়া পাঠ কৰিব লাগে, বিশেষকৈ সময় আৰু অৱস্থা পৰিবৰ্তনৰ সময়ত, যেনে- ওখ ঠাই আৰোহণ কৰাৰ সময়ত, ওপৰৰ পৰা তললৈ নমাৰ সময়ত, দিনে- ৰাতি সকলো সময়তে।

হজ্জ পালনকাৰী ব্যক্তিয়ে এহৰামৰ সময়ৰ পৰা আৰম্ভ কৰি ঈদৰ দিনা জামাৰাহ আক্বাবাত শিলগুটি নিক্ষেপ কৰা পৰ্যন্ত তালবিয়া পাঠ কৰাটো চৰীয়তসন্মত।

এহৰাম অৱস্থাত মুহৰিম ব্যক্তিয়ে সেই সকলোবোৰ কাম বৰ্জন কৰিব লাগে, যিবোৰ এহৰাম পৰিধান কৰা অৱস্থাত কৰা নিষিদ্ধ, যেতিয়ালৈকে তেওঁ হালাল নহ'ব।

***

## দ্বিতীয়ঃ মিনাত ৰাতি অতিবাহিত কৰা।

ইয়াৰ পিছত তেওঁৰ বাবে ছুন্নত হৈছে অষ্টম জুলহিজ্জাৰ দিনাই মিনালৈ গুচি যোৱা আৰু তাতগৈ জোহৰ, আচৰ, মাগৰিব, ঈশ্বা আৰু ফজৰ চালাত কচৰ আদায় কৰা। কিন্তু জমা নকৰিব। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মিনাত কচৰ কৰিছিল কিন্তু জমা কৰা নাছিল।

## তৃতীয়ঃ আৰাফাত অৱস্থান কৰা আৰু মুজদালিফাত ৰাতি যাপন কৰা।

৯ জুলহিজ্জাৰ দিনা সূৰ্য উদয় হোৱাৰ পিছত তেওঁ মিনাৰ পৰা আৰাফালৈ ৰাৱানা হ'ব। যদি সম্ভৱ হয় তেনেহ'লে নামিৰাতগৈ জোহৰ পৰ্যন্ত অৱস্থান কৰিব। যদি সম্ভৱ নহয় তেন্তে কোনো অসুবিধা নাই, কিয়নো নামিৰাত অৱস্থান কৰাটো হৈছে ছুন্নত।

সূৰ্য্য ঢাল খোৱাৰ পিছত (অৰ্থাৎ জোহৰৰ সময় হোৱাৰ পিছত) জোহৰ আৰু আচৰ দুই দুই ৰাকাতকৈ জমা তাক্বদীম কৰিব। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এইদৰে কৰিছিল।

নামাজৰ পিছত বেছি বেছি জিকৰ-আজকাৰ কৰিব আৰু আল্লাহৰ ওচৰত অনুনয়-বিনয় প্ৰকাশ কৰি দুআ কৰিব। আনকি কিবলামুখী হৈ দুয়ো হাত উত্তোলন কৰি নিজৰ ইচ্ছামতে যি যি দুআ কৰিবলগীয়া আছে কৰিব পাৰে।

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই মহাগুৰুত্বপূৰ্ণ স্থান আৰাফাত অৱস্থান কৰি এই দুআটো বেছি বেছি পাঠ কৰিছিলঃ "লা ইলা-হা ইল্লাল্লা-হু অহদাহু লা শ্বাৰীকা লাহু, লাহুল মুল্‌কু অলাহুল হাম্‌দু, অহুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ।" (অৰ্থঃ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই। ৰাজত্ব তেওঁৰেই আৰু প্ৰশংসাও কেৱল তেওঁৰেই। তেওঁ সকলো ক্ষেত্ৰতে ক্ষমতাৱান।)

যদি তেওঁ ক্লান্তি অনুভৱ কৰে আৰু তেওঁৰ লগৰবোৰৰ সৈতে কিছু উপকাৰী আলোচনা কৰিব বিচাৰে অথবা কোনো কিতাপ পঢ়িব বিচাৰে, বিশেষকৈ আল্লাহৰ দয়া আৰু মহা অনুগ্ৰহ সম্পৰ্কীয়, যাতে সেই দিৱসটোত তেওঁৰ আশা-আকাংখা অধিক শক্তিশালী হয়, তেন্তে এইটো এটা ভাল পদক্ষেপ। কিন্তু ইয়াৰ পিছত তেওঁ পুনৰ আল্লাহৰ ওচৰত দুআ আৰু মিনতি কৰিব, বিশেষকৈ দিনৰ শেষ ভাগত যাতে বেছি বেছি দুআ কৰে, কাৰণ সৰ্বোত্তম দুআ হৈছে আৰাফা দিৱসৰ দুআ।

আৰাফাৰ দিনা সূৰ্য্য অস্ত যোৱাৰ পিছত তেওঁ মুজদালিফাৰ পিনে গুচি যাব।

মুজদালিফাত উপস্থিত হোৱাৰ পিছত, তেওঁ মাগৰিব আৰু ঈশ্বা জমা পঢ়িব, মাগৰিব তিনি ৰাকাত পঢ়িব আৰু ঈশ্বা দুই ৰাকাত পঢ়িব।

যদি তেওঁৰ আশংকা হয় যে, তেওঁ মাজৰাতিৰ আগতে মুজদালিফাত গৈ উপস্থিত হ'ব নোৱাৰিব, তেন্তে তেওঁ মুজদালিফাত উপস্থিত হোৱাৰ আগতে নামাজ পঢ়ি ল'ব লাগিব। কিয়নো মাজৰাতিৰ পিছলৈকে নামাজ বিলম্ব কৰাটো বৈধ নহয়।

তেওঁ মুজদালিফাতে ৰাতি যাপন কৰিব। ফজৰ স্পষ্ট হোৱাৰ পিছত লগে লগে আজান আৰু ইকামতসহ নামাজ আদায় কৰিব।

ইয়াৰ পিছত তেওঁ মাশ্বআৰুল হাৰাম (মুজদালিফাৰ এটা নিৰ্দিষ্ট স্থান)ৰ ফালে যাব। তাত গৈ আল্লাহৰ একত্ব ঘোষণা কৰিব, আৰু তাকবীৰ (আল্লাহু আকবাৰ) পাঠ কৰিব, লগতে নিজৰ পছন্দমতে দুআ কৰিব, যেতিয়ালৈকে সূৰ্য্যৰ কিৰণ স্পষ্টভাৱে ফুটি নুঠে। আনহাতে যদি মাশ্বআৰুল হাৰামত যোৱাৰ সুযোগ নাথাকে তেন্তে যি স্থানত আছে সেই ঠাইৰ পৰাই দুআ কৰিব। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মই ইয়াত অৱস্থান কৰিছোঁ আৰু গোটেই মুজদালিফাই হৈছে অৱস্থানৰ ঠাই। জিকৰ-আজকাৰ আৰু দুআৰ সময়ত কিবলাৰ ফালে মুখ কৰি দুয়ো হাত উত্তোলন কৰিব লাগে।

«وَقَفْتُ هَاهُنَا وَجَمْعٌ كُلُّهَا مَوْقِفٌ»

"মই ইয়াত অৱস্থান কৰিছোঁ, আৰু ইয়াৰ গোটেই প্ৰান্তৰ হৈছে অৱস্থান কৰাৰ ঠাই।" কিবলামুখী হৈ দুয়ো হাত উত্তোলন কৰি জিকৰ-আজকাৰ আৰু দুআ কৰা উচিত।

## চতুৰ্থঃ ঈদৰ দিনা কৰিবলগীয়া আমলসমূহঃ

প্ৰভাতৰ কিৰণ স্পষ্ট হোৱাৰ লগে লগে সূৰ্য্য উঠাৰ আগতেই মুজদালিফাৰ পৰা মিনালৈ যাত্ৰা কৰিব আৰু মুহাচ্ছাৰ উপত্যকা পাৰ হোৱাৰ সময়ত দ্ৰুতগতিত পাৰ হ'ব।

মিনাত উপস্থিত হৈ মক্কাৰ ফালে থকা শেষৰ জামাৰাতত যিটোক জামাৰাতুল আক্বাবা বুলি কোৱা হয়, শিলগুটি নিক্ষেপ কৰিব। সাতটা সৰু শিলগুটি এটাৰ পিছত এটাকৈ নিক্ষেপ কৰিব, প্ৰতিটো শিলগুটিৰ আকাৰ হ'ব লাগিব খেজুৰৰ গুটিৰ সমান। লগতে প্ৰতিটো শিলগুটি নিক্ষেপৰ সময়ত "আল্লাহু আকবাৰ" ক'ব।

ইয়াৰ পিছত যদি সম্ভৱ হয় হাদী কুৰবানী কৰিব।

ইয়াৰ পিছত পুৰুষসকলে মূৰ খুৰাব নাইবা চুলি চুটি কৰি ল'ব, কিন্তু মূৰ খুৰাই লোৱাটোৱে উত্তম। আনহাতে নাৰীসকলৰ বাবে অকণমান চুলি চুটি কৰি লোৱাটোৱে চৰীয়তসন্মত, মুৰ খুৰাব নালাগে।

জামাৰাতত শিলগুটি নিক্ষেপ কৰা আৰু মূৰ খুৰাই লোৱা বা চুলি চুটি কৰাৰ পিছত মুহৰিম ব্যক্তি প্ৰাথমিকভাৱে হালাল হৈ যায়। এই অৱস্থাত তেওঁৰ বাবে স্ত্ৰী সহবাসৰ বাহিৰে বাকী সকলো কাম বৈধ হৈ যায়।

ইয়াৰ পিছত মক্কালৈ যাব আৰু তাৱাফে ইফাজা কৰিব। ইয়াৰ পিছত হজ্জৰ ছায়ী কৰিব, যদি তেওঁ হজ্জে তামাত্তু কৰিছে। অথবা তেওঁ যদি হজ্জে ইফৰাদ বা ক্বিৰান হজ্জকাৰী হয় আৰু তাৱাফে কুদূমৰ

পিছত হজ্জৰ ছায়ী কৰা নাই তেন্তে তেওঁ সেই ছায়ী কৰিব। তেওঁ এই ছায়ী ৰাতিলৈকে বা পিছদিনালৈকে পলম কৰিব পাৰে। এই সময়ছোৱাত যেতিয়া সুবিধা হয় তেতিয়া কৰিব।

## পঞ্চমঃ তাশ্বৰীকৰ দিনবোৰৰ আমল।

জামাৰাতত শিলগুটি নিক্ষেপ, মূৰ খুৰোৱা, তাৱাফ আৰু ছায়ী সম্পন্ন কৰাৰ পিছত মুহৰিম ব্যক্তি এহৰামৰ পৰা সম্পূৰ্ণৰূপে হালাল হৈ যায়, আৰু তেওঁৰ বাবে সকলো হালাল হৈ যায়, আনকি স্ত্ৰী সহবাসো হালাল হৈ পৰে।

ইয়াৰ পিছত মিনালৈ উভতি গৈ ১১ আৰু ১২ তাৰিখৰ ৰাতি অতিবাহিত কৰিব আৰু যদি পলমকৈ উভতি আহে তেন্তে ১৩ তাৰিখৰ ৰাতিও তাতেই থাকিব।

সূৰ্য্য ঢাল খোৱাৰ পিছত তিনিওটা জামাৰাতত শিলগুটি নিক্ষেপ কৰিব।

এতেকে ১১ তাৰিখে প্ৰথম জামাৰাতত অৰ্থাৎ যিটো মক্কাৰ পৰা আটাইতকৈ দূৰত আৰু মাছজিদুল খাইফৰ ওচৰত সাতটা শিলগুটি এটাৰ পিছত এটাকৈ নিক্ষেপ কৰিব। প্ৰতিটো শিলগুটি নিক্ষেপৰ সময়ত আল্লাহু আকবাৰ বুলি ক'ব। ইয়াৰ পিছত অকণমান আগুৱাই গৈ নিজৰ ইচ্ছামতে দীৰ্ঘ সময় দুআ কৰিব, কিন্তু যদি দীৰ্ঘ সময় থিয় হৈ থকা সম্ভৱ নহয় তেন্তে সংক্ষিপ্তভাৱে দুআ কৰি ল'ব, যাতে ছুন্নত আদায় হয়।

ইয়াৰ পিছত মধ্য জামাৰাতত শিলগুটি নিক্ষেপ কৰিব আৰু ইয়াৰ পিছত দুআ কৰিব।

ইয়াৰ পিছত জামাৰাতুল আকাবাতো সাতটা শিলগুটি নিক্ষেপ কৰিব, কিন্তু ইয়াৰ পিছত দুআ নকৰি পোনে পোনে গুচি আহিব।

ইয়াৰ পিছত ১২ তাৰিখেও ১১ তাৰিখৰ নিচিনাকৈ তিনিওটা জামাৰাতত শিলগুটি নিক্ষেপ কৰিব। শিলগুটি নিক্ষেপ কৰা সম্পন্ন হোৱা পিছত তেওঁ ইচ্ছা কৰিলে এতিয়া মিনা এৰি গুচি যাব পাৰে।

আনহাতে ইচ্ছা কৰিলে থাকিও যাব পাৰে। যদি থাকি যায় তেন্তে ১৩ তাৰিখে সূৰ্য্য ঢাল খোৱাৰ পিছত তিনিওটা জামাৰাতত আগৰ দৰে শিলগুটি নিক্ষেপ কৰিব। ১৩ তাৰিখলৈকে থাকি অহাটোৱে উত্তম।

জানি থোৱা উচিত যে, ১৩ তাৰিখলৈকে থকাটো অনিবাৰ্য্য নহয়, কিন্তু যদি কোনো হাজীয়ে ১২ তাৰিখৰ সূৰ্য্য অস্ত যোৱা পৰ্যন্ত মিনাত অৱস্থান কৰে, তেন্তে তেওঁৰ ওপৰত ১৩ তাৰিখে সূৰ্য্য ঢাল খোৱাৰ পিছত তিনিওটা জামাৰাতত শিলগুটি নিক্ষেপ কৰা অনিবাৰ্য্য হৈ পৰে।

কিন্তু যদি কোনোবাই অনিচ্ছাকৃতভাৱে ১২ তাৰিখে সূৰ্যাস্ত পৰ্যন্ত মিনাত থাকে, উদাহৰণস্বৰূপে- তেওঁ আগতেই ৰাওনা দিছে তথা গাড়ীত আৰোহণ কৰিছে কিন্তু যানজঁটৰ কাৰণে পলম হৈছে, তেনেহ'লে তেওঁৰ বাবে ১৩ তাৰিখলৈকে থকাটো আৱশ্যক নহয়। কাৰণ তেওঁ ইচ্ছাকৃতভাৱে পলম কৰা নাছিল।

## সপ্তমঃ বিদায়ী তাৱাফ।

যদি তেওঁ মক্কাৰ পৰা নিজ দেশলৈ প্ৰস্থান কৰিব বিচাৰে, তেন্তে তেওঁ বিদায়ী তাৱাফ নকৰাকৈ মক্কা ত্যাগ কৰিব নোৱাৰিব।

কিন্তু মাহেকীয়া অৱস্থাত থকা নাৰী আৰু প্ৰসূতি নাৰীৰ বাহিৰে, কিয়নো তেওঁলোকৰ ওপৰত বিদায়ী তাৱাফ আৱশ্যক নহয়। আনকি মছজিদুল হাৰামৰ দুৱাৰডলিত থিয় হৈ বিদায় জনোৱাও উচিত নহয়। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা ইয়াৰ কোনো প্ৰমাণ পোৱা নাযায়।

মক্কাৰ পৰা প্ৰস্তান কৰা বিষয়টো চূড়ান্ত হোৱাৰ পিছত কাবা ঘৰৰ শেষ আমল হ'ব লাগে বিদায়ী তাৱাফ।

বিদায়ী তাৱাফৰ পিছত কাৰোবাৰ বাবে অপেক্ষা কৰা, বয়বস্তু তথা বেডিং পত্ৰ ৰেডি কৰা, কিবাকিবি ক্ৰয় কৰাত কোনো অসুবিধা নাই। ইয়াৰ ফলত পুনৰ বিদায়ী তাৱাফ কৰাৰ প্ৰয়োজন নাই। কিন্তু যদি ছফৰ বাতিল হয় তেন্তে বিষয়টো সুকীয়া। উদাহৰণস্বৰূপে- যদি কোনোবাই পুৱাৰ ভাগত ওলাই যাব বুলি বিদায়ী তাৱাফ কৰিছে কিন্তু ছফৰ বাতিল হোৱাৰ ফলত সন্ধিয়া যাব, তেন্তে পুনৰ তাৱাফ কৰিব লাগিব। যাতে বিদায়ী তাৱাফ কাবা ঘৰৰ শেষ আমল হয়।

***

# সূচীপত্ৰ

হজ্জৰ সংক্ষিপ্ত পদ্ধতি....2
ভূমিকা....2
প্ৰথমঃ ইবাদত কবূল হোৱাৰ চৰ্তসমূহ....2
প্ৰথমঃ মীকাতৰ বিধান....4
দ্বিতীয়ঃ হজ্জৰ প্ৰকাৰভেদ আৰু বিধি-বিধান....5
তৃতীয়: এহৰামৰ পদ্ধতি আৰু বিধান....6
চতুৰ্থঃ ইহৰামৰ নিষিদ্ধ বিষয়সমূহ....9
পঞ্চমঃ তাৱাফৰ পদ্ধতি....10
ষষ্ঠঃ ছায়ী কৰাৰ পদ্ধতি....14
হজ্জৰ পদ্ধতি....17
প্ৰথমঃ হজ্জৰ এহৰাম পৰিধান কৰা।....17
দ্বিতীয়ঃ মিনাত ৰাতি অতিবাহিত কৰা।....19
তৃতীয়ঃ আৰাফাত অৱস্থান কৰা আৰু মুজদালিফাত ৰাতি যাপন কৰা।....19
চতুৰ্থঃ ঈদৰ দিনা কৰিবলগীয়া আমলসমূহঃ....22
পঞ্চমঃ তাশ্বৰীকৰ দিনবোৰৰ আমল।....23
সপ্তমঃ বিদায়ী তাৱাফ।....25

❊❊❊

رئاسة الشؤون الدينية
بالمسجد الحرام والمسجد النبوي

# رسالة الحرمين

# Message of The Two Holy Mosques

Guidance content for the visitors of the Holy Mosque and the Prophet's Mosque in languages.